NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। লোকসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা হোৱাৰে পৰা বৰ্তমানলৈকে চি-ভিজিল এপৰ জৰিয়তে ৭৯ হাজাৰৰো অধিক নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনাৰ বিষয়ে অভিযোগ লাভ কৰা হৈছে।

২। বিহাৰত বিৰোধী মহা মিত্ৰজোঁটে আজি ৪০টা সংসদীয় সমষ্টিৰ বাবে কংগ্ৰেছ, RJD আৰু বাঁওদলসমূহৰ মাজত আসনৰ ভাগ-বাটোৱাৰাৰ বিষয়ে ঘোষণা কৰিছে।

৩। বিদেশ মন্ত্ৰী ডঃ এছ জয়শংকৰে আজি নতুন দিল্লীত ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডমিট্ৰী কুলেবাৰ সৈতে ৰাছিয়া-ইউক্ৰেইনৰ সংঘৰ্ষ আৰু ইয়াৰ ব্যাপক পৰিণামকলৈ আলোচনা কৰে।

৪। চৰকাৰী ই-মাৰ্কেট প'ৰ্টেল জি ই এমৰ মাধ্যমেৰে চলিত বিত্তীয় বৰ্ষত মুঠ ৪ লাখ টকাৰ অভিলেখ পৰিমাণৰ ব্যৱসায় হয়। *আৰু*

৫। ভাৰতৰ এন ছিক্কী ৰেড্ডী আৰু বি সুমিত ৰেড্ডীৰ যুটিটোৱে মাদ্ৰিদ স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

নিৰ্বাচন আয়োগৰ চি-ভিজিল এপ ভোটদাতাসকলৰ মাজত যথেষ্ট জনপ্ৰিয় হৈছে। লোকসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা হোৱাৰে পৰা বৰ্তমানলৈকে এই এপৰ জৰিয়তে ৭৯ হাজাৰৰো অধিক নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ ঘটনাৰ বিষয়ে অভিযোগ লাভ কৰা হৈছে। নিৰ্বাচন আয়োগে এটা বিবৃতিযোগে কৈছে যে, লাভ কৰা অভিযোগসমূহৰ ৯৯ শতাংশৰো অধিক ইতিমধ্যে নিষ্পত্তি কৰা হৈছে। এই অভিযোগসমূহৰ প্ৰায় ৮৯ শতাংশ ১০০ মিনিটৰ ভিতৰত নিষ্পত্তি কৰা বুলি আয়োগে প্ৰকাশ কৰিছে। এপটোৰ মাধ্যমেৰে লাভ কৰা অভিযোগসমূহৰ ভিতৰত ৫৮ হাজাৰ ৫০০ৰো অধিক অবৈধ হৰ্ডিংছ আৰু বেনাৰ আৰু এহেজাৰ ৪০০ৰো অধিক অভিযোগ ধন, উপহাৰ আৰু সুৰা বিতৰণৰ সৈতে জড়িত। লাভ কৰা অভিযোগৰ ভিতৰত প্ৰায় ৩ শতাংশ সম্পত্তি বিনষ্টকৰণৰ অভিযোগ আছে। আগ্নেয়াস্ত্ৰ প্ৰদৰ্শন আৰু ভীতি প্ৰদানৰ ৫৩৫টা অভিযোগৰ ভিতৰত ৫২৯টাই নিষ্পত্তি কৰা হৈছে বুলি আয়োগে জানিবলৈ দিছে। আয়োগে লগতে নিৰ্ধাৰিত সময়তকৈ অধিক কাল নিৰ্বাচনী প্ৰচাৰ চলোৱা সন্দৰ্ভত এহেজাৰ অভিযোগ লাভ কৰা বুলি প্ৰকাশ কৰিছে। চি-ভিজিল হৈছে এপ মুক্ত, নিকা আৰু প্ৰলোভন মুক্ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে লোৱা পদক্ষেপৰ অংশস্বৰূপ।

০০০০০০০

বিহাৰত বিৰোধী মহা মিত্ৰজোঁটে আজি ৪০টা সংসদীয় সমষ্টিৰ বাবে কংগ্ৰেছ, RJD আৰু বাঁওদলসমূহৰ মাজত আসনৰ ভাগ-বাটোৱাৰাৰ বিষয়ে ঘোষণা কৰিছে। এই ভাগ-বাটোৱাৰাৰ চুক্তি অনুসৰি লালু প্ৰসাদ নেতৃত্বাধীন RJD -এ ২৬ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে কংগ্ৰেছে ৯ খন আসনৰ বাবে প্ৰাৰ্থী থিয় কৰোৱাব। ৫ খন আসনত বাওঁ দলসমূহৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব । ইপিনে, CPI-ML-এ ৩ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ লগতে CPI-M আৰু CPI-এ এখনকৈ আসনত প্ৰাৰ্থী দিব। পাটনাত আজি এখন যুটীয়া সংবাদমেল সম্বোধন কৰি মহা মিত্ৰজোঁটৰ নেতাসকলে এই আসন বুজাবুজিৰ বিষয়ে ঘোষণা কৰে। কেইখনমান আসনৰ বাহিৰে কংগ্ৰেছ আৰু RJD-এ ২০১৯ৰ লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা আসনকেইখনতেই এইবাৰো প্ৰাৰ্থী থিয় কৰোৱাব। আসন ভাগ-বাটোৱাৰাৰ চূড়ান্ত সিদ্ধান্ত অনুসৰি RJD-এ চাৰণ, পাটলিপুত্ৰ, বাক্সাৰ,

উজিয়াৰপুৰ, জাহানাবাদ, দৰভাংগা, বাংকা আৰু আৰাৰিয়াৰ আসনকেইখনত প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰ উপৰি দলটোৱে মুংগেৰ, সীতামাৰ্হি, মধুবাণী, শিৱান, বৈশালী, হাজিপুৰ, ছুপৌল, বাল্মিকী নগৰ, পূব চম্পাৰণ, পুৰ্ণিয়া, মাধেপুৰা আৰু গোপালগঞ্জ লোকসভা আসনকেইখনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব।

প্ৰথম পৰ্যায়ৰ বাবে ২৬ খন আসনৰ ভিতৰত RJD-এ ইতিমধ্যে ঔৰংগাবাদ, নবাদা, জামুই আৰু গয়া-এই চাৰিখন লোকসভা আসনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী ডমিট্ৰী কুলেবাৰ সৈতে ৰাছিয়া-ইউক্ৰেইনৰ সংঘৰ্ষ আৰু ইয়াৰ ব্যাপক পৰিণামকলৈ আলোচনা কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন গোলকীয় আৰু আঞ্চলিক বিষয়লৈ আলোচনা কৰা বুলি প্ৰকাশ কৰিছে। তেওঁ কৈছে যে, ইউক্ৰেইনৰ সৈতে দ্বিপাক্ষিক সহযোগিতাকে ধৰি সামগ্ৰিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ ভাৰত বদ্ধপৰিকৰ।

বৈঠকৰ আৰম্ভণিতে ড০ জয়শংকৰে কয় যে, ইউক্ৰেইনৰ বিদেশ মন্ত্ৰীগৰাকীৰ ভ্ৰমণে দেশখনৰ পৰিস্থিতি অনুধাৱন কৰাৰ সুযোগ প্ৰদান কৰিছে। তেওঁ কয় যে, শেহতীয়াকৈ দুয়োখন দেশৰ মাজত বিভিন্ন পৰ্যায়ত আলোচনা অনুষ্ঠিত হৈছে। ইয়াৰ ফলত উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কই গতি লাভ কৰিছে। ইউক্ৰেইনৰ বিদেশ মন্ত্ৰী শ্ৰী কুলেবাই কালি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়।

০০০০০০০

জম্মু-কাশ্মীৰৰ ৰামবান জিলাৰ জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বেট্ৰী চেচ্মাৰ সমীপত এখন যাত্ৰীবাহী বাহন পথৰ পৰা এটা দ' খাৰৈত বাগৰি পৰাৰ ফলত কমেও ১০ জন লোকে প্ৰাণ হেৰুৱাইছে। আমাৰ সংবাদদাতাই জনাইছে যে, কালি মাজনিশা বহিঃৰাগত শ্ৰমিকক কঢ়িয়াই নিয়া এখন বাহন এটা এহেজাৰ ফুট গভীৰ খাৰৈত বাগৰি পৰাৰ ফলত এই অঘটনটো ঘটে। বৰ্তমানলৈকে খাৰৈটোৰ পৰা ১০টা শৰদেহ উদ্ধাৰ কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই এই দুৰ্ঘটনাকলৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকট আত্মীয়লৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকট আত্মীয়লৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে নিহত লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

আনহাতে, জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই এটা বাৰ্তাযোগে এই দুৰ্ঘটনাকলৈ আশ্চৰ্য্য প্ৰকাশ কৰিছে। উপ ৰাজ্যপালগৰাকীয়ে জিলা প্ৰশাসন আৰু মাণ্ডলিক আয়ুক্তক দুৰ্ঘটনাৰ বলি হোৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সম্ভৱপৰ সকলো ধৰণৰ সাহায্য আগবঢ়াবলৈ নিৰ্দেশ দিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, শ্ৰীমৎ স্বামী স্মৰণানন্দ জী মহাৰাজ ভাৰতৰ আধ্যাত্মিক চেতনাৰ অগ্ৰণী আছিল। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ দেহাৱসানক ব্যক্তিগত ক্ষতি বুলি অভিহিত কৰিছে। শ্ৰীমোদীয়ে এটা ব্লগযোগে কয় যে, কিছু বছৰ পূৰ্বে স্বামী আত্মস্থানন্দ জীৰ মৃত্যু আৰু এতিয়া স্বামী স্মৰণানন্দ জীৰ বিয়োগে ভালেসংখ্যক লোকক মৰ্মাহত কৰিছে। দুয়োগৰাকী সন্ত আধুনিক শিক্ষা, দক্ষতা আৰু মহিলা সবলীকৰণৰ প্ৰবল সমৰ্থক আছিল বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

চৰকাৰী ই-মাৰ্কেট প'ৰ্টেল জি ই এমৰ মাধ্যমেৰে চলিত বিত্তীয় বৰ্ষত মুঠ ৪ লাখ কোটি টকাৰ অভিলেখ পৰিমাণৰ ব্যৱসায় হৈছে। এই পৰিমাণ যোৱা বিত্তীয় বৰ্ষৰ তুলনাত দুগুণ। নতুন দিল্লীত আজি সংবাদমাধ্যমৰ সৈতে হোৱা কথা-বতৰাত জি ই এমৰ মুখ্য কাৰ্যবাহী বিষয়া পি কে সিঙে কয় যে, ইয়াৰ পৰা জি ই এম প'ৰ্টেলৰ অনন্য ডিজিটীয় সামৰ্থ আৰু কাৰ্য দক্ষতাৰ বাবে যে ৰাজহুৱা ক্ৰয় ব্যৱস্থা অধিক স্বচ্ছ, দক্ষ আৰু বাধাৰহিত হৈ উঠিছে সেয়া প্ৰতিফলিত হৈছে। তেওঁ কয় যে, জি ই এমৰ মাধ্যমেৰে হোৱা ব্যৱসায়ত প্ৰায় ৫০ শতাংশ সেৱাখণ্ডৰো অৱদান আছে। যোৱা বিত্তীয় বৰ্ষৰ তুলনাত  জি ই এমৰ মাধ্যমেৰে সেৱাৰ ক্ৰয় এই বছৰ ২০৫ শতাংশ বৃদ্ধি পাইছে। শ্ৰী সিঙে কয় যে, ভোকেল ফ'ৰ লোকেল অৰ্থাৎ স্থানীয় সামগ্ৰীৰ ব্যৱহাৰত উদগনি, এখন জিলা এবিধ সামগ্ৰী , ষ্টাৰ্ট আপ ৰানৱেৰ লেখীয়া প্ৰয়াসেৰে ঘৰুৱা ব্যৱসায়ীসকলক বিকাশ আৰু প্ৰগতিৰ সমান সুযোগ প্ৰদান কৰিছে।সংবাদ মাধ্যমৰ সৈতে হোৱা এই কথা-বতৰাত অতিৰিক্ত বাণিজ্য সচিব অনন্ত স্বৰূপ উপস্থিত থাকে।

০০০০০০০

মাদ্ৰিড স্পেইন মাষ্টাৰ্ছ বেডমিণ্টন টুৰ্ণামেণ্টৰ মিক্সড ডাবলছত ভাৰতৰ যুটি এন ছিক্কী ৰেড্ডী আৰু বি সুমিত ৰেড্ডীয়ে ইন্দোনেছিয়াৰ নওফাল কুশ্বাৰজাণ্টো আৰু লিজা আয়ু কুসুমাৱতী যুটিক ২১-১৪, ১১-২১, ১৭-২১ গেমত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ মহিলা ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ পি ভি সিন্ধুৱে আজি থাইলেণ্ডৰ ছুপানিদা কেটেথঙৰ মুখামুখি হ'ব। ইফালে, পুৰুষৰ ডাবলছত ভাৰতৰ ধ্ৰুৱ কপিলা আৰু এম আৰ অৰ্জুন যুটিটোৱেও স্কটলেণ্ডৰ প্ৰতিদ্বন্দ্বিক হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। যুটিটোৱে কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ জে আৰিফ আৰু আৰ কে য়াপৰ মুখামুখি হ'ব।

০০০০০০০

কলকাতা নাইট ৰাইডাৰ্চ কিছু সময়ৰ পাছত বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰাজস্থান ৰয়েলছে যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ডেলহি কেপিটেলছক ১২ ৰানত পৰাস্ত কৰে। খেলখনত ৰাজস্থানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ উইকেটৰ বিনিময়ত ১৮৫ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে মাত্ৰ ৪৫টা বলত ৮৪ ৰান কৰি অপৰাজিত হৈ ৰয়। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ১৭৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰিয়ান পৰাগক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

ভাৰতৰ ৰোহন বোপন্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এব্‌ডেনৰ যুটিটো কাইলৈ মিয়ামী অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত আমেৰিকাৰ আষ্টিন ক্ৰাজিছেক আৰু ক্ৰ'ৱেছিয়াৰ ইভান ড'ডিকৰ সন্মুখীন হ'ব। এয়া হ'ব ৰোহন বোপন্নাৰ নিজৰ খেলুৱৈ জীৱনৰ চতুৰ্দশ এটিপি মাষ্টাৰ্ছ থাউজেণ্ড প্ৰতিযোগিতাৰ ফাইনেল। খেলুৱৈগৰাকীয়ে বৰ্তমানলৈকে ২৫টাকৈ ডাবলছৰ খিতাপ অৰ্জন কৰিছে।  বোপন্না আৰু এবডেনৰ শীৰ্ষ বাছনিপ্ৰাপ্ত যুটিটোৱে কালি ছেমি ফাইনেলত স্পেইনৰ মাৰ্চেল গ্ৰেণোলৰ্ছ আৰু আৰ্জেণ্টিনাৰ হোৰেচিয়ো জেবালোছৰ যুটিটোক ৬-১, ৬-৪ পোনপটীয়া ছেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত